NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানীক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে।

২। ভাৰতক উন্নত ৰাষ্ট্ৰ আৰু বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনৈতিক শক্তি হিচাপে গঢ় তোলাৰ বাবে ২০২৪ চনৰ লোকসভা নিৰ্বাচন  গুৰুত্বপূৰ্ণ বিবেচিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিৰাটত মন্তব্য কৰিছে।

৩। ৰঙালী বিহুৰ প্ৰাকক্ষণত অসমৰ ১২ বিধ সামগ্ৰীলৈ ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি প্ৰদান কৰা হৈছে।

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছ-ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰিছে।

*আৰু*

৫। আমেৰিকাৰ বাছনিবিহীন খেলুৱৈ ডেনিয়েল কলিন্সে মায়ামি অ'পেন টেনিছ প্ৰতিযোগিতাৰ মহিলা একক শাখাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানীক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে। ৰাষ্ট্ৰপতিয়ে বৰ্ষিয়ান নেতাগৰাকীৰ বাসগৃহলৈ গৈ তেওঁক এই সন্মানেৰে বিভূষিত কৰে।  উপৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন উপৰাষ্ট্ৰপতি এম ভেংকেয়া নাইডু, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু আদৱানীৰ পৰিয়ালৰ সদস্যসকল এই অনুষ্ঠানত উপস্থিত থাকে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে, ভাৰতীয় ৰাজনীতিত লালকৃষ্ণ আদৱানীয়ে ৭ দশকৰো অধিক সময় ধৰি অদম্য নিষ্ঠা আৰু অসাধাৰণ দক্ষতাৰে দেশৰ সেৱা কৰি আহিছে। ১৯২৭ চনত কৰাচিত জন্ম গ্ৰহণ কৰা শ্ৰীআদৱানী ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত ভাৰতলৈ আহিছিল। তেওঁ কয় যে, সাংস্কৃতিক জাতিয়তাবাদৰ দৃষ্টিভংগীৰে আদৱানীয়ে সমগ্ৰ দেশতে দশক দশক ধৰি কঠোৰ পৰিশ্ৰম কৰি সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটৰ পৰিৱৰ্তন সাধনত অৰিহণা যোগাইছিল। যেতিয়া জৰুৰীকালিন অৱস্থাই দেশৰ গণতন্ত্ৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছিল সেই সময়ত আদৱানীৰ দৰে অদম্য যোদ্ধাই স্বৈৰাচাৰী শক্তিৰ পৰা ৰক্ষা কৰাত সহায় কৰিছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে, স্বাধীনতাৰ পিছত দেশৰ সমস্যাসমূহ অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব প্ৰদান কৰি সেই

সমস্যা সমাধানৰ জৰিয়তে দেশখনক আগুৱাই নিয়াত যিকেইগৰাকী নেতাই আগভাগ লৈছিল তাৰ ভিতৰত লালকৃষ্ণ আদৱানী অন্যতম আছিল।

সামাজিক মাধ্যযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, লালকৃষ্ণ আদৱানীক ভাৰত ৰত্ন প্ৰদানৰ সাক্ষী হ'ব পৰাটো তেওঁৰ বাবে বিশেষ মুহূৰ্ত। তেওঁ লগতে কয় যে, এই সন্মান হৈছে দেশৰ প্ৰগতিৰ ক্ষেত্ৰত আদৱানীয়ে আগবঢ়োৱা অসামন্য অৱদানৰ স্বীকৃতি। লালকৃষ্ণ আদৱানীৰ সমাজসেৱাৰ প্ৰতি সমৰ্পিত মন আৰু আধুনিক ভাৰতক গঢ় দিয়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে তেওঁক ইতিহাসে সদায় স্মৰণ কৰিব। বিগত কেইবাদশক ধৰি আদৱানীৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ পোৱাটো তেওঁৰ বাবে গৌৰৱৰ বিষয় বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ মীৰাটত এখন বিশাল নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰে। সভাত ভাষণ দি মোদীয়ে কয় যে ২০২৪ চনৰ লোকসভা নিৰ্বাচন কেৱল বিজেপি চৰকাৰ গঠনৰ বাবেই নহয় বৰঞ্চ ভাৰতক উন্নত ৰাষ্ট্ৰ আৰু বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনৈতিক শক্তি হিচাপে গঢ়ি তোলাৰ বাবে এই নিৰ্বাচন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে৷ তেওঁ লগতে কয় যে, যেতিয়া ভাৰত বিশ্বৰ একাদশ বৃহত্তম অৰ্থনীতি আছিল, তেতিয়া ভাৰতৰ দৰিদ্ৰতাৰ হাৰ আকাশলংঘী হৈছিল৷, যেতিয়া ভাৰত পঞ্চম  বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ল, তেতিয়া ২৫ কোটিৰো অধিক লোকে দৰিদ্ৰতাৰ কৱলৰ পৰা মুক্তি পালে। যেতিয়া ভাৰত ৩য় বৃহৎ অৰ্থনীতিলৈ উন্নীত হ'ব, তেতিয়া দেশৰ পৰা দৰিদ্ৰতা নিৰ্মূল হ'ব আৰু মধ্যবিত্ত শ্ৰেণীয়ে ভাৰতৰ উন্নয়নত ইন্ধন যোগাব৷ ভাৰতে উৎপাদন খণ্ডত যথেষ্ট পৰিমানে বিনিয়োগ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে  দেশৰ যুৱক-যুৱতীসকলে প্ৰতিটো খণ্ডতে যথেষ্ট সুবিধা লাভ কৰিছে৷ আজি সমগ্ৰ বিশ্বতে ভাৰতৰ বিশ্বাসযোগ্যতাই নতুন মাত্ৰা লাভ কৰিছে আৰু বিশ্বই ভাৰতলৈ দৃষ্টি নিক্ষেপ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বুলিও উল্লেখ কৰে যে, তেওঁ দেশখনক দুৰ্নীতিৰ পৰা মুক্ত কৰিবলৈ অহৰ্নিশে যুজঁ দি আহিছে আৰু ইয়াৰ ফল স্বৰূপেই আজি দুৰ্নীতিগ্ৰস্ত লোক সকল কাৰাগাৰলৈ গৈছে৷ তেওঁ কয়, যোৱা দহ বছৰত অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণ, এক পদ - এক পেঞ্চন আঁচনি, তিনি তালাক প্ৰথাৰ বিৰুদ্ধে কঠোৰ আইন আৰু মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণৰ দৰে কেইবাটাও কাম সফলতাৰে কৰা হৈছে যিবোৰ এসময়ত অসম্ভৱ বুলি বিবেচিত হৈছিল ।

সভাত উপস্থিত থাকি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত ক্ষমতালৈ অহাৰ পিছত দেশৰ উন্নয়নত এক বৃহৎ পৰিৱৰ্তন আনিছে। উল্লেখযোগ্য যে দূৰদৰ্শনৰ ধাৰাবাহিক ৰামায়ণৰ প্ৰখ্যাত অভিনেতা অৰুণ গোভিলক বিজেপিয়ে মীৰাট লোকসভা সমষ্টিৰ পৰা প্ৰাথীত্ব প্ৰদান কৰিছে| তেওঁৰ হৈ আজি প্ৰধানমন্ত্ৰীগৰাকীয়ে নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে|00000

00000000

ৰঙালী বিহুৰ প্ৰাকক্ষণত অসমৰ ১২ বিধ সামগ্ৰীলৈ ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি প্ৰদান কৰা হৈছে। অসমৰ বিহু ঢোল, জাপিৰ লগতে সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহ শিল্প, মিচিং হস্ত-তাঁত সামগ্ৰী, পানী মেটেকা শিল্প আৰু আশাৰীকান্দিৰ পোৰামাটিৰ শিল্পক জি আই টেগ প্ৰদান কৰা হৈছে। তদুপৰি জথা, গগণা, খাম, চেৰচা আৰু চিফুং তথা বড়ো কৃষিভিত্তিক সামগ্ৰী খাৰদ্বিয়েও জি আই টেগ লাভ কৰিবলৈ সমৰ্থ হৈছে। এই স্বীকৃতিয়ে অসমৰ পৰম্পৰাগত আৰু থলুৱা শিল্পসমূহক সুৰক্ষা প্ৰদান কৰাৰ লগতে প্ৰচাৰ প্ৰসাৰৰ দিশটো অধিক সমৃদ্ধ কৰিব বুলি আশা কৰা হৈছে।

00000000

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰাকে ধৰি শাসকীয় বিজেপি চৰকাৰখনৰ আন কেইবাটাও সিদ্ধান্তৰ বিৰুদ্ধে আজি বিৰোধী ঐক্য মঞ্চ আই এন ডি আই এই দিল্লীৰ ৰামলিলা মৈদানত এখন প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। এই সভাত উপস্থিত থাকি  কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গেই কয় যে, কেন্দ্ৰীয় চৰকাৰে ই ডি, চিবিআইকে ধৰি চৰকাৰৰ আন আন সংস্থাসমূহক বিৰোধী দলক ভাবুকি প্ৰদানৰ বাবে ব্যৱহাৰ কৰি আহিছে। এই নিৰ্বাচনত দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ বাবে বিৰোধী দলসমূহে একত্ৰিতভাৱে যুঁজ দিব লাগিব বুলিও কংগ্ৰেছৰ সভাপতিগৰাকীয়ে উল্লেখ কৰে। কংগ্ৰেছৰ মুৰববী ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী, আপৰ শীৰ্ষ নেতা তথা পঞ্জাবৰ মুখ্যমন্ত্ৰী ভাগৱত মান আৰু অৰবিন্দ কেজৰিৱালৰ পত্নী সুনিতাই এই প্ৰতিবাদত অংশগ্ৰহণ কৰে। তদুপৰি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী চম্পাই চোৰেন, প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেনৰ পত্নী কল্পনা চোৰেন, চি পি আই এমৰ সচিব প্ৰধান সীতাৰাম য়েচুৰী, চি পি আইৰ সাধাৰণ সম্পাদক ডি ৰাজা, আৰ ডে জিৰ নেতা তেজস্বী যাদব, নেচনেক কনফাৰেন্সৰ মুৰববী ফাৰুক আব্দুল্লা, পি ডি পিৰ মুৰববী মেহবুবা মুফ্‌তি, সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱকে ধৰি দেশৰ কেইবগৰাকীও বিৰোধী নেতাই এই প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰে। উল্লেখ যোগ্য যে, যোৱা বছৰ জুন মাহত বিহাৰৰ পাটনাত আই.এন.ডি.আই মিত্ৰজোঁট গঠন হোৱাৰ পিছত এইখনেই হৈছে প্ৰথমখন ৰাজহুৱা সভা। ইফালে ভাৰতীয় জনতাপাৰ্টীয়ে ৰামলিলা মৈদানৰ প্ৰতিবাদী সভাৰ তীব্ৰ বিৰোধিতা কৰি কয়

যে, আই.এন.ডি.আই মিত্ৰজোঁটে কোৱাৰ দৰে এই সভা গণতন্ত্ৰ ৰক্ষাৰ বাবে কৰা প্ৰতিবাদ নহয়, বৰঞ্চ এই সভা হৈছে  পৰিয়ালতন্ত্ৰ বচাই ৰখা আৰু দুৰ্নীতি গাপ দিয়াৰ প্ৰচেষ্টা।

০০০০০০০০

পশ্চিম ত্ৰিপুৰা সংসদীয় আসনৰ বাবে অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ ৭৯৩ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ৫৮টা মহিলা নিৰ্বাচনী বিষয়াই পৰিচালনা কৰিব। ইয়াৰ বাবে ৪০০ত কৈও অধিক মহিলা নিৰ্বাচনী বিষয়া-কৰ্মচাৰীক আগৰতলাৰ শিশু-বিহাৰ বিদ্যালয়ত প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মহিলাসকলে পৰিচালনা কৰিবলগীয়া ভোটগ্ৰহণ কেন্দ্ৰসমূহ মডেল ভোটগ্ৰহণ কেন্দ্ৰৰূপে চিহ্নিত হ'ব।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি গুজৰাট টাইটানছ - ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে ৭ উইকেটত জয়ী হৈছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত  টছত জিকি প্ৰথমে বেটিং কৰিবলৈ নমা হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬২ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অভিষেক শৰ্মা আৰু আব্দুল ছামাদে সৰ্বাধিক ২৯ ৰানকৈ কৰে। মোহিত শৰ্মাই গুজৰাটৰ হৈ সৰ্বাধিক ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত গুজৰাটে ৫টা বল বাকী থকা অৱস্থাত ৩টা উইকেট হেৰুৱাই বিজয়লক্ষ্যত উপনীত হয়। সাই সুদৰ্শনে ৪৫ আৰু ডেভিদ মিলাৰে ৪৪ ৰান কৰে।

ইপিনে প্ৰতিযোগিতাৰ আন এখন খেলত কিছুসময় পাছতে ডেলহি কেপিটেলছ -চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

০০০০০০০০

আমেৰিকাৰ বাছনিবিহীন খেলুৱৈ ডেনিয়েল কলিন্সে মায়ামি অ'পেন টেনিছ প্ৰতিযোগিতাৰ মহিলা একক শাখাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ফ্ল'ৰিডাত অনুষ্ঠিত ফাইনেল খেলখনত কলিন্সে চতুৰ্থ বাছনিৰ কাজাখাস্তানৰ এলেনা ৰিবাকিনাক ৭-৫, ৬-৩ৰ পোনপটীয়া ছেটৰ ব্যৱধানত পৰাস্ত কৰে। ইপিনে প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ খিতাপৰ যুঁজত আজি নিশা দ্বিতীয় বাছনিপ্ৰাপ্ত ইটালীৰ জেনিক ছিনাৰ একাদশ বাছনিৰ বুলগেৰিয়াৰ গ্ৰীগোৰ ডিমিট্ৰ'ভৰ সন্মুখীন হ'ব।

ইয়াৰ পূৰ্বে কালি প্ৰতিযোগীতাখনৰ পুৰুষৰ ডাবলচৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ সৈতে যুটী বান্ধি খিতাপ অৰ্জন কৰি ভাৰতৰ ৰোহন বোপান্নাই নতুন অভিলেখ ৰচে। ৪৪ বছৰীয়া বোপান্না  কালি এ টি পি মাষ্টাৰ্ছ থাউজেণ্ডৰ খিতাপ অৰ্জন কৰা বৰ্ষীয়ান খেলুৱৈত পৰিণত হয়। বোপান্না আৰু এবডেনৰ যুটীয়ে ফাইনেলত ক্ৰেৱেছিয়াৰ ইভান দ'ডিছ্ আৰু আমেৰিকাৰ আষ্টিন ক্ৰাজিছেকৰ যুটীক ৬-৭, ৬-৩, ১০-৬ৰ ব্যাৱধানত পৰাস্ত কৰে।

০০০০০০০০

সমাপ্ত